স্মাৰক নং জি.পি.ই.৩৭/২০১৭-১৮/৬৮
তাৰিখঃ-১০-০৩-২০২০

## জাননী

### কনিষ্ঠ সহায়ক, পিয়ন,চকীদাৰৰ বাবে ১৫ মাৰ্চত লিখিত পৰীক্ষা

**গোলাঘাট,১০ মাৰ্চঃ**- গোলাঘাট জিলা উপায়ুক্তৰ কাৰ্যালয় আৰু ইয়াৰ সংলগ্ন শাখাত কনিষ্ঠ সহায়ক, পিয়ন,চকীদাৰ পদত নিযুক্তিৰ বাবে অহা ১৫ মাৰ্চত লিখিত পৰীক্ষা অনুষ্ঠিত হ'ব। জিলা সদৰৰ মুঠ চাৰিটা স্থানত অনুষ্ঠিত হ'ব লিখিত পৰীক্ষা। সেই অনুসৰি ডি আৰ কলেজত ৫০৪ গৰাকী, গোলাঘাট কমাৰ্চ কলেজত ৬০০ গৰাকী,গোলাঘাট চৰকাৰী বেজবৰুৱা উচ্চতৰ মাধ্যমিক বিদ্যালয়ত ৪৮০ গৰাকী, দণ্ডধৰ গাৰ্লছ হাইস্কুলত ২৪০ গৰাকী প্ৰাৰ্থী অৱতীৰ্ণ হ'ব । লিখিত পৰীক্ষাৰ বাবে ১৫০ নম্বৰৰ প্ৰশ্ন থাকিব আৰু কনিষ্ঠ সহায়ক পদৰ প্ৰাৰ্থীসকলে পুৱা ১১ বজাৰ পৰা বিয়লি ২ বজালৈ পৰীক্ষাত বহিব লাগিব।আনহাতে চতুৰ্থ বৰ্গৰ পিয়ন আৰু চকীদাৰ পদৰ বাবে আবেদনকাৰী প্ৰাৰ্থীসকলৰ গোলাঘাট টাউন হিন্দী হাইস্কুলত পুৱা ১১ বজাৰ পৰা ১২ বজালৈ ১০০ নম্বৰৰ লিখিত পৰীক্ষা অনুষ্ঠিত হ'ব।পৰীক্ষাৰ বাবে নিৰ্বাচিত যোগ্য প্ৰাৰ্থীসকলক ১০ মাৰ্চৰ পৰা জিলা উপায়ুক্তৰ কাৰ্যালয়ৰ চৰকাৰী প্ৰশাসন শাখাত পৰীক্ষাৰ প্ৰৱেশ পত্ৰ দি থকা হৈছে। পৰীক্ষালৈ অহাৰ সময়ত প্ৰৱেশ পত্ৰ, বৈধ ফটোযুক্ত যিকোনো পৰিচয়পত্ৰ, ক'লা চিয়াঁহীৰ বল পেন আনিব লাগিব। পৰীক্ষাৰ সকলো নিয়মাৱলী প্ৰৱেশ প্ৰত্ৰত সংলগ্ন কৰাৰ লগতে জিলা প্ৰশাসনৰ ৱেবচাইত golaghat.gov.in আৰু District Administration ,Golaghat ৰ ফেচবুক পেজত দিয়া হৈছে।

স্বাক্ষৰ
উপায়ুক্ত,
গোলাঘাট

Scanned by CamScanner